# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 1-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## HEADLINES

সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানে ক্ৰমাৎ গতি লাভ কৰিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ বিজেপি সমৰ্থক আৰু মিত্ৰ দলৰ কৰ্মীসকলৰ সৈতে এটি চাইকেল ৰেলীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে গড়মূৰৰ মিনি ষ্টেডিয়ামৰ পৰা মহৰিচুকলৈ প্ৰায় ১৫ কিলোমিটাৰ পথ চাইকেল চলাই নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভ কৰে। ইয়াৰ পাছত তেওঁ নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত অংশ লয়। তেওঁৰ সৈতে মন্ত্ৰী ৰণোজ পেগু, বিধানয়ক ভূবন গাম আৰু মিত্ৰ দলৰ কাৰ্যকৰ্তাসকলে এই সভাত অংশগ্ৰহণ কৰে।

অহা ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপ নেতা ফণীভূষণ চৌধুৰীয়ে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিত প্ৰচাৰ চলায়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ সৈতে তেওঁ নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজৰ সৈতে মত বিনিময় কৰে। সৰভোগৰ আহোম পথাৰ, চাফা, কামাৰ আদি অঞ্চলত অনুষ্ঠিত ৰাজহুৱা সভাতো তেওঁ অংশ লয়। ইয়াৰ পাছত তেওঁ বৰপেটা ৰোডতো নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, বৰপেটা সমষ্টিৰ চি পি আই (এম) দলৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে পাকা বেটবাৰী সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়।

ooooo

ৰাজ্যত তিনিটা পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত সমষ্টিসমূহত প্ৰশাসনে বন্ধ ঘোষণা কৰিছে। পৃথকে পৃথকে ১৪টা লোকসভা সমষ্টিত এই নিৰ্দেশনা প্ৰযোজ্য হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ১৯ এপ্ৰিলত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত বন্ধ ঘোষণা কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচৰ বাবে অহা ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, নগাঁও, ডিফু, শিলচৰ আৰু কৰিমগঞ্জ লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত প্ৰশাসনে স্থানীয় বন্ধ ঘোষণা কৰিছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ৭ মে'ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

ooooo

আসন্ন লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি শিৱসাগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাইছে। প্ৰিজাইডিং আৰু প্ৰথম প'লিং বিষয়াসকলক দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছত আজি দ্বিতীয় আৰু তৃতীয়

প'লিং বিষয়াসকলক প্ৰশিক্ষণ দিয়া হয়। আনহাতে নিৰ্বাচনী প্ৰক্ৰিয়া সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰাৰ বাবে ডিমৌ বিধানসভা সমষ্টি আৰু শিৱসাগৰ বিধানসভা সমষ্টিত ১০৫ গৰাকী সূক্ষ্ম পৰ্যৱেক্ষক নিয়োজিত কৰা হৈছে। এই পৰ্যৱেক্ষকসকলক সূচাৰুৰূপে কাৰ্য সমাপন কৰিব পৰাকৈ জিলা প্ৰশাসনে কাইলৈ শিৱসাগৰ বিশ্ববিদ্যালয়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে।

আনহাতে মৰিগাঁও জিলাৰ নিৰ্বাচনী বিষয়া দেৱাশিষ শৰ্মাই আজি মৰিগাঁও মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে ভোটাদান কৰিবলগীয়া ভোটাৰসকলৰ সৈতে মত বিনিময় কৰে। জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। নিৰ্বাচনী বিষয়াগৰাকীয়ে অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। লগতে দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে।

ooooo

তামুলপুৰৰ সৌৰাগুৰিস্থিত বি টি আৰৰ মুখ্য কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়োৱে সমাগত লোকসভা নিৰ্বাচন সন্দৰ্ভত নিজ বাসগৃহত এক সংবাদমেল সম্বোধন কৰে। বিৰোধী দলক তীব্ৰ ভাষাৰে সমালোচনা কৰি তেওঁ কয় যে, তেওঁলোকৰ শাসনকালত অসম তথা বি টি আৰৰ উন্নয়ন হোৱাৰ পৰিৱৰ্তে হত্যা, হিংসা আৰু বৃহৎ দুৰ্নীতিৰ ঘটনা সংঘটিত হৈছিল। সংবাদমেলত তেওঁ দৰং, ওদালগুৰি আৰু কোকৰাঝাৰ লোকসভা সমষ্টিত এন ডি এ প্ৰাৰ্থীৰ জয় নিশ্চিত হোৱাৰ কথাও উল্লেখ কৰে।

ooooo

বাক্সা জিলাৰ শালবাৰীত আজি বি টি আৰৰ কাৰ্য্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে এন ডি এৰ ১ নম্বৰ কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰক্ষেপিত প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক জয়যুক্ত কৰিবলৈ এটা নিৰ্বাচনী কাৰ্য্যালয় মুকলি কৰে।

ooooo

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে নিৰ্ধাৰণ কৰা অনুসৰি আজি ই ভি এমসমূহ বিতৰণ পূৰ্বে পৰীক্ষা কৰা হয়। এই প্ৰক্ৰিয়াৰ পিছতে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিকেইটাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ই ভি এম, ভি ভি পেট আদি সামগ্ৰীসমূহ বিতৰণ কৰা হ'ব। উল্লেখযোগ্য যে, অসমত তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত ৫ খন আসনৰ বাবে যোৰহাট, ডিব্ৰুগড়, শোণিতপুৰ, কাজিৰঙা আৰু লখিমপুৰ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

ooooo

ৰাজ্যৰ ভিন্ন প্ৰান্তত কালি অহা শিলাবৃষ্টি আৰু ধুমুহাই বিস্তৰ ক্ষতি কৰিছে। ধুমুহা, বজ্ৰপাত আৰু নাও দুৰ্ঘটনাত চাৰি গৰাকী লোকৰ মৃত্যু হৈছে। কাছাৰ, পূব কাৰ্বি আংলং, ওদালগুৰি আৰু দক্ষিণ শালমাৰাত এগৰাকীকৈ লোকৰ প্ৰাণহানি হৈছে। আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব ভাৰতত অহা বৃহস্পতিবাৰলৈকে ধুমুহা-বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে। অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা দুই তিনিদিনলৈকে ধুমুহা-বৰষুণৰ লগতে শিলাবৃষ্টিও হ'ব বুলি বিভাগে প্ৰকাশ কৰিছে। হিমালয়ৰ পশ্চিমাঞ্চলত হোৱা বতৰৰ পৰিৱৰ্তনৰ ফলত অহা ৫ এপ্ৰিললৈকে উত্তৰ পূব ভাৰতৰ বতৰ শোচনীয় হৈ থাকিব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

ooooo

ঃসমাপ্তঃ